# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - -**

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ ২৪ ঘণ্টা বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিহালী সমষ্টিত দিগন্ত ঘাটোৱালৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বেদেতিত আয়োজিত এখন জনসভাত অংশ লয়। একেদৰে মন্ত্ৰী কেশৱ মহন্তই চামগুৰি সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত কলিয়াবৰৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি ধলাই সমষ্টিত এটা মটৰ চাইকেল সমদলত অংশ লোৱাৰ পাছত এখন নিৰ্বাচনী সভাত ৰাইজক সম্বোধি ভাষণ দিয়ে।

কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ এটা পদযাত্ৰাত অংশ লয়। সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি বিহালীত  দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাজনৈতিক হিংসাৰ সৃষ্টি হৈছে। কালি সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাত কংগ্ৰেছৰ তিনিজন আৰু বিজেপিৰ দুজন লোক আহত হয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিত একাংশ কংগ্ৰেছ সমৰ্থকে বিধায়ক জিতু গোস্বামীক আক্ৰমণ কৰা ঘটনাক গৰিহণা দিছে। এই ঘটনাই দলটোৰ নিৰাশাকে প্ৰতিফলিত কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

ooooooo

বছৰি বহু পৰিভ্ৰমী পক্ষীৰ সমাগম ঘটা ডিমা হাচাও জিলাৰ জাতিংগা পক্ষী উদ্যানলৈ চলিত বছৰতো ভালেসংখ্যক বিৰল প্ৰজাতিৰ পক্ষীৰ আগমন ঘটিছে। কালি সামৰণি পৰা জাতিংগা মহোৎসৱৰ লগত সংগতি ৰাখি পৰিভ্ৰমী পক্ষী দৰ্শনৰ বাবে দেশ-বিদেশৰ ভালেসংখ্যক পৰ্যটকো জাতিংগা পক্ষী উদ্যানলৈ আহিছে। উল্লেখযোগ্য যে পক্ষী উদ্যানখনত এইবাৰ ৯ বছৰৰ পাছত বিৰল প্ৰজাতিৰ টাইগাৰ বিটাৰ্ণ পক্ষীবিধ দেখিবলৈ পোৱা গৈছে। স্থানীয় লোকসকলৰ পৰিৱেশ সুৰক্ষাৰ দীৰ্ঘদিনীয়া প্ৰয়াসৰ ফলস্বৰূপে চৰাইবিধ আকৌ উপলব্ধ

হোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে স্থানীয় ৰাইজক অভিনন্দন জ্ঞাপন কৰিছে। জাতিংগা পক্ষী উদ্যানৰ বিষয়ে বিতং তথ্যৰ সৈতে আমাৰ সংবাদদাতা মনছুন সিং-

**ভইচ কাষ্ট (মনছুন সিং)**

০০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কল্যাণকামী ৰাষ্ট্ৰ এখনৰ ক্ষেত্ৰত অসামৰিক সেৱা চৰকাৰ আৰু জনসাধাৰণৰ মাজত সংযোগ স্থাপন কৰা এখন শক্তিশালী আৰু অতীব প্ৰয়োজনীয় সেতু বুলি অভিহিত কৰে। ৰাজ্যপালৰ প্ৰতিভা প্ৰোৎসাহন যোজনাৰ অধীনত ৰাজ্যখনৰ অসামৰিক সেৱা পৰীক্ষাসমূহৰ বাবে সাজু হোৱা নিৰ্বাচিত পৰীক্ষাৰ্থীসকলৰ কাৰণে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰস্তুতিমূলক নিৰ্দেশনা অধিৱেশন এখনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে আজি এনেদৰে কয়। যুৱক-যুৱতীসকলক মাতৃভূমিৰ প্ৰতি দায়িত্ব পালনৰ কাৰণে আহ্বান জনাই শ্ৰী আচাৰ্যই ৰাজ্যপালৰ প্ৰতিভা প্ৰোৎসাহন যোজনাই আগ্ৰহী যুৱচামৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব বুলি মন্তব্য কৰে। এই যোজনাৰ অধীনত আকাংক্ষীসকলক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় দিহা-পৰামৰ্শও আগবঢ়োৱা হ'ব। ভাষণ প্ৰসংগত ৰাজ্যপালে ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত লাভ-লোকচানৰ পৰিসৰৰ বাহিৰত গৈ দেশ তথা জাতিক প্ৰাথমিকতা দিবলৈ আহ্বান জনায়। এই পদক্ষেপে ৰাজ্যৰ যুৱক-যুৱতীসকলক অসামৰিক সেৱাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তোলাৰ লগতে দায়বদ্ধতা তথা সততাৰে নিষ্ঠাবান চৰকাৰী কৰ্মচাৰী হিচাপে গঢ়ি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে। যোজনাটোত প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰা ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া চিন্ময়ী কৰণ, আৰণ্যক শইকীয়া, আদিত্য বিক্ৰম সিং আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া অমিত মাহাতোলৈ ৰাজ্যপালে অনুষ্ঠানটোত কৃতজ্ঞতা প্ৰকাশ কৰে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি শ্ৰী আচাৰ্যই প্ৰাচ্যবিদ্যাৰ্ণৱ পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ এটা ১২ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰে।

০০০০০০০

সমাপ্ত